ISSN : 2347-7180

(A Bilingual Research Journal indexed in UGC-CARE List)

# DOGO RANGSANG

Research Journal, Vol.: IX :: Issue: XVI :: July, 2022

# দগো ৰাংছাং

গৱেষণা পত্রিকা, নৱম বছৰ, সপ্তদশ সংখ্যা, জুলাই, ২০২২

CHIEF EDITOR (HON.) : Dr. Upen Rabha Hakacham
EDITORS (HON.) : Dr. Lalit Chandra Rabha
: Dr. Dhaneswar Kalita

মুখ্য সম্পাদক (অবৈতনিক) : ড° উপেন ৰাভা হাকাচাম
সম্পাদকদ্বয় (অবৈতনিক) : ড° ললিত চন্দ্ৰ ৰাভা
: ড° ধনেশ্বৰ কলিতা

Dogo Rangsang Research Journal (ISSN : 2347-7180)
(A Bilingual Research Journal of Social Science and Humanities indexed in UGC CARE List), Vol. IX, Issue XVI, July, 2022

**EDITORIAL BOARD :**

**ADVISERS :**

1. Dr. Biplab Chakravarty, Retired Professor, Dept. of Bengali, Vardhaman University.
2. Dr. K. V. Subbarao, Retired Professor, Dept. of Linguistics, Delhi University.
3. Dr. Prabin Ch. Das, Retired Professor, Dept. of Folklore, Gauhati University.
4. Dr. Irshad Ali, Retired Professor, Dept. of Anthropology, Gauhati University.
5. Dr. Dipti Phukan Patgiri, Retired Prof. and HOD, Dept. of Assamese, Gauhati University.

**REVIEWERS OF PAPERS :**

1. Dr. Ajit Kumar Baishya, Professor, Department of Linguistic, Assam University, Silchar.
2. Dr. Nava Kr. Handique, Professor, Department of Assamese, Dibrugarh University, Dibrugarh.
3. Dr. Dilip Kalita, Professor & Director, ABILAC, Guwahati.
4. Dr. Dipak Kr. Roy, Professor, Department of Bengali, Raiganj University, West Bengal.
5. Dr. Jyotirekha Hazarika, Associate Professor, Department of Assamese, J.B. College (Autonomous), Jorhat.
6. Dr. Prafulla Kr. Nath, Professor, Department of Assamese, Gauhati University.
7. Dr. Jagat Swargiary, Sr. Professor, Dept. of Education, Gauhati University.
8. Dr. Ratul Mahanta, Professor, Dept. of Economices, Gauhati University.
9. Dr. Sumi Kalita, Associate Professor, Department of Assamese, Bodoland University, Kokrajhar.
10. Dr. Polee Saikia, Professor & HoD, Dept. of Education, Gauhati University.
11. Dr. Dhruba Pratim Sharma, Associate Professor, Dept. of Political Science, Gauhati University.
12. Dr. Gajendra Adhikari, Retd. Principal, D.K. Girls' College, Mirza.
13. Dr. Ankuran Dutta, Associate Professor & Head, Dept. of Communication and Journalism, Gauhati University.
14. Dr. Rabindra Nath Sarma, Associate Professor, Central University of Jharkhand.

**INTERNAL REVIEWERS OF THIS ISSUE :**

1. Dr. Upen Rabha Hakacham (Chief Editor)
2. Dr. Lalit Ch. Rabha (Honorary Editor)
2. Dr. Dipankar Saikia, Associate Professor, Dept. of English, Biswanath College, Biswanath

**CHIEF EDITOR** (HON.) :

1. Dr. Upen Rabha Hakacham
Professor and Former Head, Dept. of Assamese, Gauhati University.

**EDITORS** (HON.) :

1. Dr. Lalit Chandra Rabha, Principal, Dudhnoi College, Dudhnoi.
2. Dr. Dhaneswar Kalita, Asst. Professor, Assamese, Sharaighat College, Changsari, Kamrup (R), Assam.

**Price:** Rs. 400/- (Four hundred) only
**Design & Layout** : Kamal Krishna Sarmah

**Published by** Dr. Angshuman Das, Secretary, Dogo Rangsang Research Society, **and Printed at** Dream Graphics, Naokata, Tamulpur (BTR), Assam.

(১১) প্ৰব্ৰজিত সম্প্ৰদায়ৰ প্ৰজন্মভিত্তিক ভাষা ব্যৱহাৰৰ চিত্ৰণ

● মেহেনা আফৰোজা /৬১

(১২) ড° মালিনীৰ 'বিলৈ নন্দিনী' উপন্যাসত প্ৰতিফলিত নাৰীচেতনা : এটি অধ্যয়ন

● [illegible] বৰা /৮৯

(১৩) হৰিমোহন সৰকাৰৰ 'মহৰষী গীতৰ অভিনয়' পুথিখনৰ বিশ্লেষণাত্মক আলোচনা

● দীপিকা বাতা /৯৬

(১৪) অসমীয়া ভাষাত লোক-শিল্পৰ গুৰুত্ব

● ড° লক্ষী দেৱী /১০৪

(১৫) অসমৰ জাতিসকলৰ কলা-কৌশল : অতীত আৰু বৰ্তমান

● ড° কণলেখা ঠকুৰীয়া বনিয়া /১১১

(১৬) নাগালেণ্ডৰ কোহিমা জিলাৰ পৰ্যটন : এটি আলোচনা

● তৰুণ নাইং ● গণেশ কুমাৰ নাইং /১২০

(১৭) ভূপেন হাজৰিকাৰ গীতত আধ্যাত্মিক জীৱনবোধৰ সফল প্ৰতিফলন

● ড° লোহিত [illegible] /১২৩

(১৮) মহিম বৰাৰ কাঠনিবাৰী ঘাটত নিম্ন-মধ্যবিত্ত শ্ৰেণীৰ জীৱনাদৰ্শ

● নিৰঞ্জিত দত্ত /১৩২

(১৯) অসমত হিন্দী ভাষাৰ সাম্প্ৰতিক স্থিতি

● ড° সীমা ভূঞা /১৪০

(২০) অসমীয়া অভিধানৰ ইতিহাস : এটি আলোচনা

● ড° মিতালী নাথ /১৪৫

(২১) গোপালচৰণ দ্বিজৰ গদ্যশৈলী

● ড° কলপনা দাস /১৫৩

(২২) শৈলীবিজ্ঞানৰ আধাৰত যেহেদবজে ঠাটিৰ 'শব কটা মানুহ'ৰ গদ্যশৈলী

● চিন্ময়ী গগৈ /১৬০

(২৩) অৰূপা পটঙ্গীয়া কলিতাৰ চুটিগল্পত সামাজিক অৱক্ষয়ৰ চিত্ৰ

● ড° মীনাক্ষী তামুলী /১৬৯

(২৪) দেউৰীসকলৰ পৰম্পৰাগত সাজ-পাৰ

● পৰিস্মিতা দাস /১৭৪

(২৫) উমাকান্ত শৰ্মাৰ 'এজাক মানুহ এখন অৰণ্য'ত চাহ শ্ৰমিকৰ জীৱন আৰু সংগ্ৰামৰ চিত্ৰ

● ড° গকুল কুমাৰ দাস /১৮১

(২৬) দক্ষিণ কামৰূপৰ পাতিৰাভাসকলৰ লোকগাথা

● মিডিয়া ৰাণী ৰাভা /১৮৮

(২৭) ভূপেন হাজৰিকাৰ গীতত শ্ৰেণী-সংগ্ৰামৰ ছবি

● ড° দীপামণি হলৈ দাস /১৯৪

Dogo Rangsang Research Journal
(A Bilingual Research Journal
Indexed in UGC-CARE List)

ISSN : 2347-7180
Vol. IX, Issue XVI, July, 2022

# নাগালেণ্ডৰ কোহিমা জিলাৰ পৰ্যটন ঃ এটি আলোচনা

● তৰুণ লয়িং
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, যোৰহাট কলেজ।
e-mail: tarunloying11@gmail.com, ফোন ঃ ৮১৩৩০১৪২২৭
● ধনেশ কুমাৰ লয়িং
সহকাৰী অধ্যাপক, অসমীয়া বিভাগ, হেমপ্ৰভা বৰবৰা ছোৱালী মহাবিদ্যালয়, গোলাঘাট।
e-mail: loyingdk@gmail.com, ফোন ঃ ৯০০০৬৭৪৫১৯

**সংক্ষিপ্তসাৰ ঃ** ভাৰতবৰ্ষৰ উত্তৰ-পূব প্ৰান্তত থকা এখন ৰাজ্য হৈছে নাগালেণ্ড। পৰ্যটনৰ দিশত অতিকৈ চহকী ৰাজ্যখনৰ কোহিমাৰ জিলাত জুকু' ভেলী, জাপফু শৃংগ, কিছামা নাগা হেৰিটেজ ভিলেজ, কোহিমা কেথিড্ৰেল, দ্বিতীয় বিশ্বযুদ্ধৰ সমাধিক্ষেত্ৰ আদি কেইবাখনো আকৰ্ষণীয় পৰ্যটন স্থলী পোৱা যায়। নাগালেণ্ড-মণিপুৰ সীমান্তত অৱস্থিত জুকু' ভেলী নাগালেণ্ডৰ ভিতৰতেই নহয় সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতেই সৌন্দৰ্যশালী তথা আকৰ্ষণীয় পৰ্যটন স্থলী। নানা ৰঙৰ উদ্ভিদ আৰু ফুলেৰে ভৰপূৰ জুকু' ভেলীৰ মনোৰম দৃশ্যই পৰ্যটকক মোহ-মুগ্ধ কৰি তোলে। এই ঠাই ট্ৰেকিং কৰি আনন্দ লাভ কৰোঁতাসকলৰ বাবে অতিকৈ উপযোগী। কোহিমাৰ পৰা বিশ কিলোমিটাৰ দক্ষিণ-পশ্চিম দিশত জাপফু শীৰ্ষ অৱস্থিত। সাগৰ পৃষ্ঠৰ পৰা প্ৰায় তিনি হাজাৰ মিটাৰ উচ্চতাত থকা পৰ্বতখনত সৰ্বোচ্চ তিনি হাজাৰ মিটাৰতকৈ পাহাৰৰ চূড়া (Hilltop) পোৱা যায়। পৰ্বতখনৰ চৌদিশে গোলাকাৰ আকৃতিৰ কেইবাখনো সৰু পাহাৰ বিয়পি আছে। সেই উচ্চতাৰ পৰা পৰ্বতখনৰ ঢালুৱা খেতি (Terrace Cultivation), পথাৰৰ মাজেদি বৈ যোৱা নদী, চৌদিশে ডাৱৰৰ লুকা-ভাকু খেলা, ওচৰৰ পাহাৰৰ সৌন্দৰ্য আদি মনোমোহা দৃশ্য উপভোগ কৰিব পাৰি। কোহিমা জিলাৰ আন এক পৰ্যটনৰ আকৰ্ষণ হৈছে হৰ্নবিল মহোৎসৱ। মহোৎসৱটোৰ অন্যতম আকৰ্ষণ হৈছে কাঠৰ খোলাৰ ভিতৰত সংৰক্ষণ কৰি ৰখা মূৰ চিকাৰ কৰা মানুহৰ লাওখোলাবোৰ। নাগাসকলে এটা সময়ত মূৰ চিকাৰ কৰা প্ৰথাটোক গৌৰৱ আৰু সাহসৰ প্ৰতীক হিচাপে লৈ আহিছিল আৰু উপৰি মূৰৰ গিৰিহঁতে (মূৰ চিকাৰ কৰা মানুহজনে) বিশিষ্ট আসন লাভ কৰে বুলি বিশ্বাস আছিল। কোহিমা নগৰৰ মাজ-মজিয়াত (কোহিমা-ইম্ফল পথত) গ্ৰীষ্মৰ পাহাৰৰ ওপৰত থকা দ্বিতীয় বিশ্বযুদ্ধৰ সৈনিকৰ সমাধিস্থলৰ (War Cemetry) সৌন্দৰ্যও অতিকৈ মনোৰম। War Cemetry ত থকা ফুলৰ বাগিচাসমূহে সমাধি ক্ষেত্ৰটোৰ সৌন্দৰ্যত সোণত সুৱগা চৰোৱা দেখা যায়। কোহিমা নগৰৰ পৰা দক্ষিণ দিশে ১০ কিলোমিটাৰ দূৰত্বত 'কিছামা নাগা হেৰিটেজ ভিলেজ' অৱস্থিত। প্ৰতি বছৰে 'কিছামা নাগা হেৰিটেজ ভিলেজ'ত ১ ডিচেম্বৰৰ পৰা ১০ ডিচেম্বৰলৈকে 'হৰ্নবিল ফেষ্টিভেল' পালন কৰা হয়। 'কিছামা নাগা হেৰিটেজ ভিলেজ'ত নাগাসকলৰ প্ৰতিটো জনগোষ্ঠীৰ (Group) বৈশিষ্ট্য সূচক ভিন্ন ভিন্ন আৰ্হিৰ ঘৰ নিৰ্মাণ কৰি থোৱা হৈছে। নাগাসকলৰ 'মোৰুং' বা যুৱক সকল শুইথকা ঘৰবিলাকো 'কিছামা নাগা হেৰিটেজ ভিলেজ'ত দৰ্শন কৰিব পৰা যায়।

**বীজ শব্দ ঃ** আকৰ্ষণীয় পৰ্যটন স্থলী, হৰ্নবিল মহোৎসৱ, জুকু' ভেলী, প্ৰাকৃতিক বিশ্ববিদ্যালয়, মূৰ চিকাৰ, ঐতিহ্যৰ পৰ্যটন, দ্বিতীয় বিশ্বযুদ্ধৰ সমাধিস্থল।

**অৱতৰণিকা ঃ**

ভাৰতবৰ্ষৰ উত্তৰ-পূব প্ৰান্তত থকা এখন ৰাজ্য হৈছে নাগালেণ্ড। সেউজীয়া পাহাৰীয়া উপত্যকা, হাবি-জংঘলি, ধীৰ্ঘলীন কৃষিভূমি, বিভিন্ন প্ৰকাৰৰ ঔষধি উদ্ভিদ তথা দোৱাং, ধনশিৰি, দিখু, দিচাং, টিজু, জুকৈ আদি নদীৰে পৰিবেষ্টিত নাগালেণ্ড ৰাজ্যই ভাৰতবৰ্ষৰ উপৰি সমগ্ৰ বিশ্বৰ পৰ্যটক সমাজৰ বিশেষভাৱে দৃষ্টি আকৰ্ষণ সক্ষম হৈছে। সাংস্কৃতিক দিশত অত্যন্ত চহকী নাগালেণ্ডৰ প্ৰতিটো জনজাতিয়ে স্বকীয় সাংস্কৃতিক পৰম্পৰা ৰক্ষা কৰাত সচেতনতা অৱলম্বন কৰা দেখা যায়। ১৯৬৩ চনৰ পহিলা ডিচেম্বৰত নাগালেণ্ড ৰাজ্যই ভাৰতবৰ্ষৰ ষষ্ঠদশ (Sixteenth) ৰাজ্য হিচাপে স্বীকৃতি লাভ কৰে। ষোল্ল হাজাৰ পাঁচশ ঊনাশী বৰ্গ কিল'মিটাৰ (১৬,৫৭৯) ভূমিৰে পৰিবেষ্টিত নাগালেণ্ডৰ উত্তৰ আৰু পশ্চিমে অসম, পূবে ম্যানমাৰ আৰু অৰুণাচল প্ৰদেশ আৰু দক্ষিণে মণিপুৰ ৰাজ্যই আগুৰি আছে।

উৰ্বৰ মাটিৰে অধিক জনসংখ্যাৰে পৰিপূৰ্ণ নাগালেণ্ডত প্ৰধানকৈ ১৬টা জনজাতিয়ে বসবাস কৰি আছে। এই ১৬ টা জনজাতি হৈছে— আংগামী, ৰেংমা, জেলিয়াং, কুকি, কছাৰী, চাখেচাং, পচুৰি, চাং, আও, কনায়াক, ফম, খিয়ামনুংগান, য়িমচুংৰু, চাংতাম, লোথা আৰু ছুমি। নাগালেণ্ডৰ প্ৰতি বৰ্গ কিল'মিটাৰত জনসংখ্যাৰ ঘনত্ব হৈছে এশ উনৈশ জন। নাগালেণ্ডৰ এঘাৰখন জিলা ক্ৰমে মন, লংলেং, মোকোকচুং, টুৱেনচাং, জুনহেবটো, কিফিৰে, ওখা, ফেক, কোহিমা, ডিমাপুৰ আৰু পেৰেনত মুঠ বাৰটা উন্নয়ন খণ্ড আছে। উল্লেখযোগ্য যে নাগালেণ্ডত জানুৱাৰী মাহৰ পৰা ডিচেম্বৰ মাহলৈকে (মাৰ্চ আৰু জুন মাহৰ বাদে) কেৱল উৎসৱৰ সমাৰোহ দেখিবলৈ পোৱা যায়। নাগালেণ্ডৰ ৰাজধানী কোহিমাৰ ওচৰৰ 'কিছামা নাগা হেৰিটেজ ভিলেজ'ত প্ৰতিবছৰে ডিচেম্বৰ মাহৰ এক তাৰিখৰ পৰা দহ তাৰিখলৈকে বিখ্যাত 'আন্তৰ্ৰাষ্ট্ৰীয় হৰ্ণবিল মহোৎসৱ' অনুষ্ঠিত হয়।

**গৱেষণাৰ উদ্দেশ্য আৰু লক্ষ্য ঃ**

প্ৰাকৃতিক সম্পদেৰে পৰিপূৰ্ণ নাগালেণ্ডক ভূ-স্বৰ্গ বুলি কব পাৰি। এসময়ত নগা পাহাৰ জিলা হিচাপে অসমৰ অধীনত থকা নগাসকলে স্বকীয় সংস্কৃতিৰে বিশ্ব মানচিত্ৰত নিজকে প্ৰতিষ্ঠা কৰিব পাৰিছে। উল্লেখযোগ্য যে নাগালেণ্ডত প্ৰৱেশ কৰিবলৈ কোনো বিদেশী পৰ্যটকক 'ইনাৰ লাইন পাৰমিট'ৰ দৰকাৰ নালাগে। অৱশ্যে বিদেশী পৰ্যটকসকলে ২৪ ঘণ্টাৰ ভিতৰত যিকোনো আৰক্ষী থানাত অৱগত কৰিব লাগে। উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত অন্যতম সৌন্দৰ্যশালী পৰ্যটনৰ স্থলী কোহিমা জিলাত দেখিবলৈ পোৱা যায়। কোহিমা জিলাৰ পৰ্যটনৰ ক্ষেত্ৰসমূহ বিষয়ে সমাজক তথা বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰাটোৱেই প্ৰস্তাৱিত গৱেষণা কৰ্মৰ মুখ্য উদ্দেশ্য।

**পদ্ধতি ঃ**

গৱেষণাৰ পাঠটিত বিশ্লেষণাত্মক পদ্ধতি প্ৰয়োগ কৰা হৈছে। মূলতঃ প্ৰাথমিক সমলৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰা বাবে ক্ষেত্ৰভিত্তিক অধ্যয়ন কাৰ্যটোত বিভিন্নজনৰ পৰা আহৰণ কৰা মৌখিক সমলক আধাৰ হিচাপে লোৱা হৈছে।

**জুকু' ভেলী (Dzukou Valley) ঃ**

নাগালেণ্ড-মণিপুৰ সীমান্তত অৱস্থিত জুকু' ভেলী নাগালেণ্ডৰ ভিতৰতেই নহয় সমগ্ৰ ভাৰতবৰ্ষৰ ভিতৰতেই সৌন্দৰ্যশালী তথা আকৰ্ষণীয় পৰ্যটন স্থলী। কোহিমাৰ পৰা প্ৰায় ২৩-২৫ কিলোমিটাৰ দক্ষিণত (৩৯নং ৰাষ্ট্ৰীয় ঘাইপথত) বিছুমা নামৰ এখন গাঁও আছে। সেই বিছুমা গাঁৱৰ পৰা জুকু' ভেলীলৈ যাবৰ বাবে 'বলেৰ' পিক্ আপ, 'মহিন্দ্ৰা' আদি গাড়ী পোৱা যায়। 'বলেৰ' পিক্ আপ ভান বা তেনেজাতীয় গাড়ীত প্ৰায় সাত-আঠ কিলোমিটাৰ পশ্চিম দিশলৈ যোৱাৰ পিছত জুকু' পাহাৰৰ দাঁতি পাব পাৰি। সেই ঠাইৰ পৰা খোজেৰে পাহাৰ বগাই ওপৰলৈ দুই কিলোমিটাৰ যোৱাৰ পিছত জুকু' ভেলী পোৱা যায়। নানা তৰহৰ উদ্ভিদ আৰু ফুলেৰে ভৰপূৰ জুকু' ভেলীৰ মনোৰম দৃশ্যই পৰ্যটকৰ দেহ-মন শীতল কৰি তোলে। এই ঠাই ট্ৰেকিং কৰি ভাল পোৱাসকলৰ বাবেও অতিকৈ উপযোগী। জুকু' ভেলীত দুটা 'গেষ্ট হাউচ'ৰ উপৰি এটা 'হেলিপেড' আছে। সাগৰপৃষ্ঠৰ পৰা ২৪৩৮.৪ মিটাৰ উচ্চতাত অৱস্থিত জুকু' ভেলীৰ সৰু সৰু পাহাৰে, কন্দুইতে পোৱা গছ, ঔষধি গুণজাতীয় অনেক উদ্ভিদ, চুটি বাঁহনি, তৃণজাতীয় উদ্ভিদ তথা উপত্যকাটোৰ বিশাল প্ৰাকৃতিক পৰিৱেশে কোলাহলময় মানুহৰ জীৱন কটোৱা লোকসকলক এক নিজম পৰিৱেশৰ মাজলৈ লৈ যায়।[1] জুকু' ভেলী যোৱাৰ উপযুক্ত সময় হৈছে মে' মাহৰ পৰা আগষ্ট মাহ। জুকু' শব্দৰ অৰ্থ হৈছে শীতল পানী। জুকু' ভেলীত থকা এটি জান (সৰু নদী) উপত্যকাটোৰ সৌন্দৰ্যত সুৱলা চৰায়। জাখামা আৰু খনমা হৈও জুকু' ভেলীলৈ যাব পাৰি।

**খনমা গাঁও (Khonoma Greenary Village) ঃ**

কোহিমাৰ পৰা বিশ কিলোমিটাৰ দক্ষিণ-পশ্চিম দিশত খনমা গাঁও অৱস্থিত। গ্ৰাম্য পঞ্চায়তৰ বৰ্ণনা মতে গাঁওখনৰ পূৰ্বৰ নাম আছিল খুনৰিয়া (Khonoria)। এই খুনৰিয়াকে খুনমিয়া (Khwunomia) বুলি জনা যায়। খুনমিয়া দুটি শব্দৰ সমষ্টি - 'খুন' (Khwuno) আৰু মিয়া (Mia)। 'খুন' হ'ল একজাতীয় উদ্ভিদ আৰু মিয়া (Mia) মানে হ'ল 'মানুহ'। * জনশ্ৰুতি মতে উদ্ভিদ বিধ স্থানীয় মিয়াৰ সময়ত বনজুৰি পৰ্বত গৰে অঞ্চল লাভ হৈছিল। কালক্ৰমত বৃটিছসকলে শাসন কৰাৰ সময়ত যোগাযোগৰ মাধ্যম হিচাপে 'খুনমিয়াৰ' পৰিৱৰ্তে 'খনমা' নামেৰে ব্যৱহাৰ কৰিবলৈ ধৰিলে আৰু নিজেদেৰে খনমা নামেৰেই গাঁওখন জনাজাত হ'বলৈ ধৰিলে।

সাগৰপৃষ্ঠৰ পৰা প্ৰায় মিটাৰ উচ্চতাত থকা গাঁওখনত সৰ্বোচ্চ তিনি হাজাৰ মিটাৰতকৈ ওখ পাহাৰৰ চূড়া (Hilltop) পোৱা যায়। উল্লেখযোগ্য যে বৃটিছে ১৮৭৯-৮০ চনৰ 'ইংৰাজ-খনমা' যুদ্ধত গাঁওখনৰ লোকসকলক পৰাস্ত কৰি খনমা দখল কৰিছিল। ১৮৫০ চনৰ পৰা বৃটিছে গাঁওখন দখল কৰিবলৈ চেষ্টা চলাইছিল যদিও গাঁওখনে দুৰ্বাৰ শক্তি অৰ্জনেৰে বৃটিছৰ বিৰুদ্ধে যুঁজিবলৈ থিয় হৈছিল। গাঁওখনক পৰ্যটকসকলে উৰি থকা ডাৱৰৰ দেশ (The Land of Drifting Clouds), প্ৰকৃতিৰ বিশ্ববিদ্যালয় (University of Nature), লাজকুৰীয়া গাঁও (The Shy Village), শিলৰ গাঁও (The Stone Village) আদি নামেৰেও নামকৰণ কৰা দেখা যায়। গাঁওখনত থকা পৰম্পৰাগত দুৱাৰ (Traditional Gates) আৰু তাত থকা প্ৰাক্ ঐতিহাসিক যুগৰ শিলে (Megaliths) পৰ্যটকক আকৰ্ষণ কৰে। * ২০১৫ চনৰ তথ্য মতে প্ৰায় ৫৮০ ঘৰেৰে পৰিবেষ্টিত তথা ৩,৪০০ জনসংখ্যাৰে পৰিপূৰ্ণ গাঁওখনৰ সকলোবোৰ লোকেই অংগামী নাগা। গাঁওখনত থকা প্ৰতিটো ঘৰ শিলেৰে সাজি সজোৱা কৰা আছে। নাগালেণ্ডৰ ভিতৰতে অন্যতম পৰিষ্কাৰ গাঁও হিচাপে খ্যাত খনমাৰ প্ৰাকৃতিক সৌন্দৰ্যও দেখিবলগীয়া। গাঁওখনৰ চৌদিশে সেউজীয়া প্ৰকৃতিৰ পাহাৰৰ শাৰী আছে। সেই উপৰিও গাঁওখনৰ থেকেনীয়া খেতি (Terrace Cultivation), পাহাৰৰ মাজেদি বৈ যোৱা নদী, চৌদিশে ফুল-ভাতু বেলা, চৌপাশৰ পাহাৰৰ সৌন্দৰ্য আদি মনোমোহা দৃশ্য উপভোগ কৰিব পাৰি।

প্ৰাকৃতিক সম্পদৰ অৱস্থা চহকী খনমা গাঁওখনত প্ৰায় ১২০ বৰ্গ কিলোমিটাৰৰ এখন 'সংৰক্ষিত বনাঞ্চল' আছে। ১৯৯৮ চনত গাঁওবাসীয়ে লোৱা ভূমিকাৰ লগত ২০০১ চনত নাগালেণ্ড চৰকাৰে 'সংৰক্ষিত বনাঞ্চল' হিচাপে ঘোষণা কৰে। প্ৰায় চৰিশ বিধ উদ্ভিদ, বিভিন্ন প্ৰজাতিৰ চৰাই, উভচৰ প্ৰাণী, আৰ্কিড, দুষ্প্ৰাপ্য প্ৰাণীয়ে ভৰপূৰ বনাঞ্চলখন প্ৰকৃতিপ্ৰেমীৰ বাবে অতিকৈ আকৰ্ষণৰ থলী। গাঁওখনত পৰ্যটকৰ থকা-খোৱাৰ সুবিধাৰ্থে Dovipie Inn নামৰ এখন হোটেল আছে। উল্লেখযোগ্য যে উত্তৰ-পূব ভাৰতৰ উগ্ৰপন্থী সংগঠনৰ প্ৰতিষ্ঠাপক অংগামী জাপু ফিজোৰ জন্মস্থান হৈছে খনমা গাঁও। খনমা গাঁওক এছিয়াৰ ভিতৰতে প্ৰথম সেউজ গাঁও (Greenary Village) বুলি জনা যায়। খনমা গাঁৱৰ পৰা বিখ্যাত Dzukou Valley লৈ যাব পৰা যায়।

**ৰাজ্যিক সংগ্ৰহালয় (State Museum) ঃ** কোহিমা জিলাৰ আন এক পৰ্যটনৰ আকৰ্ষণ হৈছে ৰাজ্যিক সংগ্ৰহালয়। সংগ্ৰহালয়টোৰ ভিতৰত নাগাসকলৰ বিভিন্ন অলংকাৰ, সাজপাৰ, বিভিন্ন প্ৰকাৰৰ খাটি, দা, কাঠ আৰু বেতৰ ঢাল, বন্দুক, কাঁড়, সেঁপা, ঢোল, ভাতৰ কাঁহৰ বাটি, উৰাল, চাউল খোৱা কাঠৰ ভাতৰ পাত্ৰ, চাউলৰ পৰা প্ৰস্তুত কৰা পানীয় ব্যৱহাৰ কৰিবৰ বাবে কৰা কাঠৰ পাত্ৰ বিশেষ, মাটিৰ কলহকে আদি কৰি বিভিন্ন ধৰণৰ মাটিৰ পাত্ৰ আদি সুন্দৰকৈ সজাই থোৱাৰ লগতে প্ৰতিবিধ সামগ্ৰীৰ নাম, তাৰ ব্যৱহাৰিক উপযোগিতা ইত্যাদি বৰ্ণনা কৰা দেখা যায়। Photo Exhibition Through the Lens নামৰ গেলেৰীটোত অনেক গুৰুত্বপূৰ্ণ তথ্য পোৱা যায়। উদাহৰণ স্বৰূপে ১৯৬৪ চনৰ টুৱেনচাঙৰ এটা খেতি ঘৰত এটা ভাতৰ পৰিয়ালৰ আহাৰ-যুক্ত-বনিয়ামহ ফটো দেখা যায়। তদুপৰি ১৯৬১ চনৰ ভাৰতৰ গণৰাজ্য দিৱসত নাগালেণ্ডৰ অংশগ্ৰহণৰ ছবি, ১৯৭৩ চনৰ ১৫ আগষ্টত গৱৰ্ণৰ B.K. Nehru-এ নাগালেণ্ডৰ ৰাজ্যিক সংগ্ৰহালয়টো উদ্বোধন কৰা ফটো, ১৯৭৭ চনৰ লোকসভাৰ সাংসদ Rano Saiza ই তদানীন্তন ভাৰতৰ প্ৰধানমন্ত্ৰী মোৰাৰজী দেশাইৰ লগতে Agri Expo ত নতুন নিৰ্মীত উঠা ফটো, ১৯৮০ চনত গণৰাজ্য দিৱসত নতুন নিৰ্মীত অংশগ্ৰহণ কৰা নাগালেণ্ডৰ প্ৰতীকৰ ফটো আদি সুন্দৰকৈ সংৰক্ষণ কৰা আছে। * সংগ্ৰহালয়টোৰ অন্যতম আকৰ্ষণ হৈছে কাচৰ বাকচৰ ভিতৰত সংৰক্ষণ কৰি ৰখা মূৰ চিকাৰ কৰা মানুহৰ লাওখোলাবোৰ। নাগাসকলে এটা

অৱশ্যে মুণ্ড চিকাৰ কৰা প্ৰথাটোক গৌৰৱ আৰু সাহসৰ প্ৰতীক হিচাপে গণ্য কৰাৰ উপৰি মৃত্যুৰ পিছতো (মুণ্ড চিকাৰ কৰা মানুহজনে) বিশিষ্ট আসন লাভ কৰে বুলি বিশ্বাস কৰিছিল। সেই সম্পৰ্কে সংগ্ৰহালয়টোত থকা লাওখোলা কেইটাৰ তলত লিখা কথাখিনি হৈছে—"Head Hunting was universally practiced by Nagas. The taking of head in war earned the warrior an exalted status of fame, honour and glory not only in this world but an honourable place in life after death. The skulls in view are real trophies taken during head hunting raids."[7]

**চেমিন্যু (Tseminyu) ঃ**

কোহিমা জিলাৰ অধীনৰ এখন মহকুমা হৈছে চেমিন্যু। ৰেংমা নগাসকলৰ বাসস্থান অঞ্চলটোত ঢালুৱা খেতি (Terrace Cultivation) সুন্দৰকৈ দেখিবলৈ পোৱা যায়। ২১ নং ৰাষ্ট্ৰীয় ঘাইপথৰ দাঁতিত থকা গাঁৱে পাঁচখনৰ এক সুকীয়া সৌন্দৰ্য আছে। গাঁওখনত অনেক ধৰণৰ পুৰণি ঐতিহ্য, জনশ্ৰুতি আদি সংৰক্ষিত হৈ আছে যদিও মানুহবোৰৰ খ্ৰীষ্টান ধৰ্মলৈ ধৰ্মান্তৰিত হোৱাৰ পিছত পৰ্বত শিল, বৃক্ষ, নদী আদিক দেৱতাজ্ঞানে উপাসনা নকৰা হ'ল। যদিও জনশ্ৰুতি, আদিম বিশ্বাস আদিবোৰ অক্ষত হৈ ৰৈ গৈছে। চেমিন্যুক ৰেংমাসকলৰ মূল গৃহ (Home of Rengma) বুলিও জনা যায়।[8]

**দ্বিতীয় বিশ্বযুদ্ধৰ সমাধি ক্ষেত্ৰ (Second World War Cemetery) ঃ**

কোহিমা নগৰৰ মাজ-মজিয়াত (কোহিমা-ইম্ফল পথত) গেৰিছন পাহাৰৰ ওপৰত থকা দ্বিতীয় বিশ্বযুদ্ধৰ সৈনিকৰ সমাধিস্থল (War Cemetry) সৌন্দৰ্য অতি মনোৰম। War Cemetry ত থকা ফুলৰ বাগিচাসমূহে সমাধি ক্ষেত্ৰটোৰ সৌন্দৰ্যত যেন সুষমা চৰোৱা দেখা যায়। গেৰিছন পাহাৰত বৃটিছ আৰু জাপানী সৈন্যৰ মাজত হোৱা যুদ্ধখনেই সবাতোকৈ কঠিনতম আৰু ভয়ানক যুদ্ধ আছিল। সেই সময়তেই জাপানী সৈন্যই কোৱা লেনাই ডি চেপেটক গেৰিছন পাহাৰৰ ওপৰত থকা 'টেনিছ কৰ্ট' খন জাৰি পেলাইছিল। War Cemetry ত এজোপা চাৰাৰ গছ আছিল। সেই গছজোপাৰ আঁৰত লুকাই এজন নগা মানুহে দুশজনকৈও অধিক জাপানী সৈন্যক গুলিয়াই নিহত কৰিছিল। War Cemetry ত থকা গছজোপা এতিয়া নাই যদিও গছজোপাৰ চিনস্বৰূপে সৰু গছ এজোপা ৰোৱা দেখা যায়। নগাসকলৰ সমৰ্থন নোপোৱা হ'লে সেই সময়ত বৃটিছসকলে জাপানীসকলক যুদ্ধত পৰাস্ত কৰাটো সম্ভৱ নহ'লহেঁতেন। দ্বিতীয় বিশ্ব যুদ্ধৰ সমাধি ক্ষেত্ৰখন Commonwealth War Grave Commission নামৰ এটা সংস্থাই চোৱা-চিতা কৰে। War Cemetry ত থকা এখন শিলাত লিখা হৈছে—

WHEN YOU GO HOME
TELL THEM OF US AND SAY
FOR YOUR TOMORROW
WE GAVE OUR TODAY."

**নগা হেৰিটেজ ভিলেজ, কিছামা (Naga Heritage Village, Kisama) ঃ**

কোহিমা নগৰৰ পৰা দক্ষিণ দিশে ১৩ কিলোমিটাৰ নিলগত 'কিছামা নগা হেৰিটেজ ভিলেজ' অৱস্থিত। উল্লেখযোগ্য যে 'কিছামা' নামটো দুখন গাঁৱৰ নামৰ সমষ্টি— 'কিগোমা'ৰ 'কি' আৰু 'ফেছামা'ৰ 'ছামা' লগ লাগি কিছামা হৈছে। ৰাজ্যখনত প্ৰথম হোৱাৰ বছৰ ১ ডিচেম্বৰ পৰা ৭ ডিচেম্বৰলৈকে বিখ্যাত 'হৰ্ণবিল ফেষ্টিভেল' উদ্‌যাপন কৰি আহিছিল। ২০১৪ চনত হৰ্ণবিল ফেষ্টিভেলে ১৫ বছৰ পূৰ্ণ কৰিছিল বাবে সেইবাৰ ১ ডিচেম্বৰ পৰা ১০ ডিচেম্বৰলৈকে 'হৰ্ণবিল ফেষ্টিভেল' পালন কৰা হৈছিল আৰু তেতিয়াৰ পৰাই নগালেণ্ড চৰকাৰে প্ৰতিবছৰে মহোৎসৱটি দহদিনীয়াকৈ পতাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। 'কিছামা নগা হেৰিটেজ ভিলেজ'ত নগাসকলৰ প্ৰতিটো দলৰ (Group) বৈশিষ্ট্য যুক্তভাৱে ভিন ভিন আৰ্হিৰ মুৰং ঘৰবোৰ নিৰ্মাণ কৰি ৰখা দেখা যায়। নগাভাষাত 'মোৰুং' বা মুৰং ঘৰৰ সুকীয়া বৈশিষ্ট্যবোৰো 'কিছামা নগা হেৰিটেজ ভিলেজ'ত নিৰীক্ষণ কৰিব পৰা যায়।[9]

নগাসকলে মুণ্ড চিকাৰ কৰিলে মাটিৰ উৰ্বৰা শক্তি বৃদ্ধি হয় আৰু খেতি ভাল হয় বুলিও বিশ্বাস কৰিছিল। সেই বিশ্বাসসমূহক নিয়াকৈ কম-বেছি পৰিমাণে 'কিছামা নগা হেৰিটেজ ভিলেজ'ৰ মুৰং ঘৰ বা মডেল ঘৰবোৰতো গ'লৈ

জানিব পাৰি। 'কিছমা হেৰিটেজ ভিলেজ'ৰ লগতে এটা দ্বিতীয় বিশ্বযুদ্ধৰ সংগ্ৰহালয়ো আছে। সংগ্ৰহালয়টোত দ্বিতীয় বিশ্বযুদ্ধত ব্যৱহৃত হোৱা বন্দুক-বাৰুদ, জাপানী মটাৰ, হেলমেট আদি আৰু দ্বিতীয় বিশ্বযুদ্ধৰ সৈনিকসকলৰ সাজ পোছাকো সুন্দৰ ভাৱে সংৰক্ষিত হৈ আছে। দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত সুভাষ চন্দ্ৰ বসুৰ নেতৃত্বত গঠন হোৱা ইণ্ডিয়ান নেছনেল আৰ্মিৰ (I.N.A.) কাৰ্যকলাপৰো কেইটামান দুষ্প্ৰাপ্য ফটো সংগ্ৰহালয়টোত সংৰক্ষণ কৰি থোৱা দেখা যায়। কোহিমাৰ গীৰ্জাৰ পাহাৰৰ ওপৰত জাপানী সৈন্যই কেনেকৈ আক্ৰমণ কৰি দখল কৰিছিল, নাগাসকলৰ সহযোগত বৃটিছসকলে কেনেকৈ কোহিমা যুদ্ধত জয়লাভ কৰিবলৈ সক্ষম হৈছিল— ইত্যাদি ঘটনাবোৰৰ বিৱৰণো সংগ্ৰহালয়টোৰ ভিতৰত দেখিবলৈ পোৱা যায়। ১৯৪৪ চনৰ ৪ এপ্ৰিলৰ পৰা ৫ জুনলৈকে হোৱা কোহিমা যুদ্ধৰ পুংখানুপুংখ বিৱৰণো সংগ্ৰহালয়টোত পোৱা যায়।

**জাপফু শৃংগ (Japfu Peak) ঃ**

নাগালেণ্ডৰ ৰাজধানী কোহিমাৰ পৰা প্ৰায় পোন্ধৰ কিলোমিটাৰ দক্ষিণ দিশত এই জাপফু শৃংগ অৱস্থিত। দুঃসাহসিক ক্ৰীড়া বিশেষকৈ— পাহাৰ বগোৱা, শিলা বগোৱা আদিৰ বাবে বিখ্যাত এই জাপফু শৃংগ নাগালেণ্ডৰ ভিতৰতে দ্বিতীয় উচ্চতম শৃংগ। এই জাপফু শৃংগৰ পাহাৰৰ দাঁতিত থকা Rhododendron (এবিধ উদ্ভিদ ফুল) গছজোপাৰ বিষয়ে 'গীনিজ বুক অৱ ৱৰ্ল্ড ৰেকৰ্ড'ত ঠাই পোৱা দেখা গৈছে।[৮]

**কেথলিক কেথেড্ৰেল (Catholic Cathedral) ঃ**

কোহিমা চহৰৰ দক্ষিণ দিশত অৱস্থিত আৰাধুৰা পাহাৰৰ ওপৰত নিৰ্মিত 'কেথলিক কেথেড্ৰেল' অৱস্থিত। এটা সময়ত এই গীৰ্জাটো এছিয়া মহাদেশৰ ভিতৰতে বৃহত্তম গীৰ্জা আছিল বুলি কোৱা যায় (বৰ্তমান জুনহেবোটত থকা 'চুমি বেপ্টিষ্ট চাৰ্চ' হৈছে এছিয়াৰ ভিতৰত সৰ্ববৃহৎ গীৰ্জা) কেথলিক কেথেড্ৰেলৰ পৰা কোহিমা নগৰৰ সৌন্দৰ্য অতি মনোমোহাকৈ দেখা পায়। কোহিমা যুদ্ধত নিহত হোৱা জাপানী সৈনিকৰ স্মৃতিত পৰিয়ালৰ লোকসকলে (যুদ্ধত নিহত হোৱা সৈনিকসকলৰ) 'কেথলিক কেথেড্ৰেল' নিৰ্মাণ কৰিছিল।[১০]

**জুলেকে (Dzuleke) গাঁও ঃ**

কোহিমা নগৰৰ পৰা প্ৰায় ৩৭ কিলোমিটাৰ আঁতৰত অৱস্থিত জুলেকে গাঁওখন পৰ্যটনৰ উপযুক্ত সমলেৰে পৰিপূৰ্ণ। ওচৰতে থকা খনমা গাঁওখনত প্ৰতি বছৰে অনেক পৰ্যটকৰ ভিৰ দেখিবলৈ পোৱা যায়। খনমাৰ পৰা মাত্ৰ বিশ কিলোমিটাৰ দূৰত অৱস্থিত গাঁওখনত মাত্ৰ পঁচিশ ঘৰ মানুহ আছে। আংগামী বসতিপ্ৰধান গাঁওখন সাগৰ পৃষ্ঠৰ পৰা ২১৩৩.৬ মিটাৰ ওপৰত অৱস্থিত। খনমাৰ পৰা জুলেকেলৈ যে থকা অৰণ্যৰ মাজেৰে দুয়োকাষে জুমে-জুমে যোৱাৰ দেখিবলৈ পোৱা যায়। সন্ধ্যা সময়ত ৰঙাল বৰণৰ এই দৃশ্য অতিকৈ মনোৰম। বৰ্ষাকালীন সময়ছোৱাত ৰামধেনুৰ দৃশ্যই সকলোকে আকৃষ্ট কৰে। বিশেষকৈ জুলেকে গাঁৱৰ ৰামধেনুৰ দৃশ্য অতি উজ্জ্বলকৈ দৃশ্যমান আৰু অধিক মনোমোহা। গাঁৱৰ কাষেদি বৈ যোৱা নদীখনৰ ওপৰত (পশ্চিম দিশত) কেইবাটাও জলপ্ৰপাতৰ ধাৰা দেখিবলৈ পোৱা যায়। জৈৱিক সাধন ব্যৱহাৰেৰে গাঁওখনৰ লোকসকলে যে সৌন্দৰ্যশালী কৰি তুলিছে সেই কথা সহজেই অনুমান কৰিব পাৰি।

**টুফেমা (Touphema) গাঁও ঃ**

নাগালেণ্ডৰ ৰাজধানী কোহিমাৰ পৰা একচল্লিশ কিলোমিটাৰ দূৰত অৱস্থিত টুফেমা গাঁৱৰ প্ৰাকৃতিক সৌন্দৰ্য অতিকৈ মনোমোহা।[১১] আংগামী বসতিপ্ৰধান গাঁওখনত থকা-খোৱাৰ বাবে সৰু সৰু কেইবাটাও কটেজ আছে। অতি পৰিষ্কাৰ-পৰিচ্ছন্ন কুটিৰসমূহত এৰাতিৰ আৰামত হৈ থাকিবলৈ সকলো পৰ্যটকৰে মন যোৱাটো স্বাভাৱিক। গাঁওখনৰ মাজ এটা কোণত 'নাগা হেৰিটেজ' নামৰ এখন মিউজিয়াম আছে। 'নাগা হেৰিটেজ'ৰ আশে-পাশে নৈসৰ্গিক শোভা অতি মনোৰম। 'নাগা হেৰিটেজ'ত থকা-খোৱাৰ লগতে খেল-ধূলা কৰিবৰ বাবেও ঠাই আছে। গাঁৱৰ মাজত থকা যাদুঘৰটোৱে গাঁও তথা নাগালেণ্ডৰ অনেক ঐতিহাসিক তথ্য বহন কৰে। যাদুঘৰটোত সংৰক্ষিত হৈ থকা বিভিন্ন ধৰণৰ পাত্ৰ (চাউল ৰখা, চাউলৰ পৰা প্ৰস্তুত কৰা পানীয় খোৱা পাত্ৰ ইত্যাদি) আৰু কৃষিকৰ্মত ব্যৱহাৰ কৰা উপকৰণ, কৃষিক্ষেত্ৰত ব্যৱহৃত বিভিন্ন সামগ্ৰী, যুদ্ধক্ষেত্ৰত ব্যৱহাৰ কৰা যাঠি, দা, ঢাল, মূৰত পিন্ধা টুপী, নাগা চাদৰ, কাপোৰ, বন্দুক, পানী খোৱা পাত্ৰ, তুৰুকা, শৰাই, বটা, অলংকাৰ, ডাঙৰ ডাঙৰ গছৰ পৰা খোদা কাঠেৰে নিৰ্মাণ কৰা কাঠৰপাত্ৰ (চাউল, মাছ আদি থ'ব পৰা), এনে কেইবাটি আহিলাই উল্লেখযোগ্য। যাদুঘৰটোৰ অন্যতম আকৰ্ষণ হৈছে আংগামী জাপু মিজোৰ (নাগা

নেশ্বনেল কাউন্সিলৰ প্ৰথম সভাপতি তথা উত্তৰ-পূব বিদ্ৰোহী সংগঠনৰ প্ৰতিষ্ঠাপক) পৰিহিত কোটচোলা আৰু চেৰ্ট ব্যৱহাৰ কৰা কাঠৰ চকী-টেবুল। উ'কেখাত পৰিস্থাপনে সেক্ৰেনী উৎসৱ (ফেব্ৰুৱাৰী মাহৰ ২৪ তাৰিখৰ পৰা ২৭ তাৰিখৰ ভিতৰত) পালন কৰে। উৎসৱৰ আগে দিনাখন কেৰ্মটেমাকে গাঁওখন সুসজ্জিত পৰিষ্কাৰ কৰি লয়। কেৰ্মটেমাকে বিশ্বাস কৰে যে নিৰ্মল পানীয়ে অসুখ-অশান্তি দূৰ কৰাৰ উপৰি বিভিন্ন ৰোগৰ পৰাও প্ৰতিষেধক শক্তি লাভে।

সামৰণি ঃ

ওপৰৰ আলোচনাৰ পৰা দেখা গ'ল যে অসুৰ সমলেৰে পৰিপূৰ্ণ কোহিমা জিলাৰ মনোমোহা পৰ্যটন স্থলীসমূহ পৰ্যটকৰ বাবে অতি আকৰ্ষণৰ ঠাই। বিশাল বাট-পথ, যোগাযোগ ব্যৱস্থাৰ অভাৱ, গাঁৱৰ বাসিন্দাসকলৰ পৰ্যটন সম্পৰ্কীয় সঠিক জ্ঞানৰ অভাৱ আদিৰ বাবে উপযুক্ত পৰ্যটন স্থলীসমূহ অধিকাংশ অৱহেলিত হৈ পৰি আছে। কোহিমা জিলা প্ৰশাসনে যদি কোনো পদক্ষেপ গ্ৰহণ কৰে নাইবা বাট-পথ সুচল কৰাৰ ক্ষেত্ৰত মনোযোগ দিয়ে, কোহিমা জিলাৰ পৰ্যটন স্থলীসমূহ উন্নীত হ'ব। ডিমাপুৰৰ পৰা জুখ্‌জাইলৈ ৰেল যোগাযোগ ব্যৱস্থা কৰাৰ কথা হৈ আছে যদিও আজিলৈকে কামটো আৰম্ভ হোৱা নাই। জুখ্‌জাইলৈ ৰেলপথৰ ব্যৱস্থা হৈ গ'লে অতি কম খৰচতে পৰ্যটকসকলে কোহিমা জিলাৰ পৰ্যটন ক্ষেত্ৰসমূহ চাবলৈ সুবিধা হ'ব। ঠিক তেনেদৰে বিশ্বেমা গাঁৱৰ পৰা জুকু' ভেলীলৈ যোৱা পথটো পকীকৰণ কৰি যাতায়াতৰ সু-ব্যৱস্থা কৰি দিলে পৰ্যটকৰ অধিক সমাগম দেখিবলৈ পোৱা যাব। এইক্ষেত্ৰত চৰকাৰ, স্বেচ্ছাসেৱী সংগঠন, সচেতন ব্যক্তি সকলোৰে কৰণীয় আছে।••

পাদটীকা ঃ

১. The Directorate of Tourism, Nagaland, *Tour Guide Dimapur and Kohima*, p. 36
২. Sophi, Megovira Michal, Savino, Visalhuto and Zhunyu, Ruopfuthalie, *Glimpses of Khonoma*, p. 1
৩. তদেৱ, p.2
৪. লইহ্‌, তকন ঃ *নাগালেণ্ডৰ পৰ্যটন স্থল আৰু অন্যান্য*, পৃ. ১০
৫. তদেৱ, পৃ.২১
৬. The Directorate of Tourism, Nagaland, *Nagaland Call of the Great Hornbill*, p. 20
৭. লইহ্‌, তকন ঃ ৰঙীন হাইলেণ্ডৰ সাংস্কৃতিক এভুমুকি, পৃ. ১৩৫
৮. আহমদ, টৈয়ব আলিম ঃ নাগালেণ্ড, পৃ. ৩৯
৯. Directorate of Tourism, Nagaland, *Echoes of the Hill*, p. 28
১০. The Directorate of Tourism, Nagaland, *Tour Guide Dimapur and Kohima*, p. 29
১১. Directorate of Tourism, Nagaland, *Echoes of the Hill*, p. 30


প্ৰসংগ পুথি/তথ্যদাতাৰ তালিকা ঃ

আহমদ, টৈয়ব আলিম ঃ নাগালেণ্ড, সৰস্বতী বুক ষ্টল, গুৱাহাটী-১, প্ৰথম প্ৰকাশ ১৯৭৬ চন।
লইহ্‌, তকন ঃ নাগালেণ্ডৰ পৰ্যটন স্থল আৰু অন্যান্য, প্ৰথম প্ৰকাশ ২০২০
— ঃ ৰঙীন হাইলেণ্ডৰ সাংস্কৃতিক এভুমুকি, অহংশী প্ৰকাশন, যোৰহাট, দ্বিতীয় প্ৰকাশ, ২০১৯ চন।

**English :**

Bengongkumba (Ed.) : *Naga Society Culture, Education and Emerging trends*, Heritage Publishing House, Dimapur, Nagaland.
Department of Art & Culture, Nagaland, *Where Warriors Walk*, LBS Publications, 2008
Directorate of Tourism, Nagaland, *Echoes of the Hill*, Khomina, 2017
Sophi, Megovira Michal, Savino, Visalhuto and Zhunyu, Ruopfuthalie, *Glimpses of Khonoma*, Published, 2015
The Directorate of Tourism, Nagaland, *Tour Guide Dimapur and Kohima*, Kohima, 2015
The Directorate of Tourism, Nagaland, *Nagaland Call of the Great Hornbill* Kohima, 2015


তথ্যদাতা/সাক্ষী

১) অনৱী চাকিলা, খনমা গাঁও, বয়স ৫০ বছৰ
২) ৰেনিনিংু, সহকাৰী অধ্যাপক, ইতিহাস বিভাগ, চেইন্ট যোচেফ কলেজ, জাখামা
৩) অতনু বোৰা, কোহিমা, বয়স ৫০ বছৰ
৪) ৰেখা, খনমা গাঁও, বয়স ৬২ বছৰ
৫) চুিচে, বয়স ৫০ বছৰ